পাঠ -১১

# বাঁহ-বেতৰ সামগ্ৰী আৰু ইয়াৰ ব্যৱহাৰ

R4G8Z6

আমাৰ দৈনন্দিন জীৱনত বহুতো বস্তুৰ প্ৰয়োজন হয়। এই বস্তুবোৰ আমি সাধাৰণতে পৰিৱেশৰ পৰাই সংগ্ৰহ কৰি লওঁ, যেনে— কাঠ, খেৰ, বাঁহ-বেত আদি আমি গছ-গছনিৰ পৰা পাওঁ। আকৌ এই সামগ্ৰীবোৰৰ পৰা আমি বিভিন্ন বস্তু সাজি লওঁ।

বাঁহ-বেতেৰে কি কি সাজিব পাৰি চাওঁ আহা—




➢ তোমাৰ ঘৰত বাঁহ আৰু বেতেৰে সজা কি কি বস্তু আছে লিখা।

বাঁহেৰে সজা.......................................................................................................


বেঁতেৰে সজা.......................................................................................................

অসমত বাঁহ-বেত প্ৰচুৰ পৰিমাণে উৎপন্ন হয়। আমি নিতৌ ব্যৱহাৰ কৰা বিভিন্ন বস্তু যেনে—ডলা, চালনী, খৰাহি, বাঢ়নী, মূঢ়া, চকী-মেজ আদি বাঁহ-বেতেৰে তৈয়াৰী।











ঘৰত সজোৱা কিছুমান বস্তু যেনে— ফুলদানি, শৰাই, জাপি আদিৰ উপৰি আজিকালি বাঁহ-বেঁতেৰে কিছুমান বেগ, আ-অলংকাৰ তৈয়াৰ কৰা হয়।






মাছ ধৰা সজুঁলিবোৰ যেনে—জাকৈ, খালৈ, পল, জুলুকি আদি বাঁহ-বেঁতেৰেই সাজে। বিহুত নাচনীয়ে গগনা বজোৱা দেখিছানে ? গগনাৰ দৰে আন কিছুমান বাদ্যযন্ত্ৰও যেনে— বাঁহী, টকা, ঢোলৰ মাৰি আদি বাঁহেৰেই সজা হয়।





এইদৰে বাঁহ-বেতেৰে সজা বস্তুবোৰ বিক্ৰী কৰি আৰ্থিকভাৱেও লাভৱান হ'ব পাৰি।






**অসমৰ নলবাৰী জিলা বাঁহ-বেঁতৰ বিভিন্ন বস্তু আৰু জাপিৰ বাবে জনাজাত। কাছাৰ জিলা পাটী আৰু বেতৰ বস্তু উৎপাদনৰ বাবে বিখ্যাত।**





আমাৰ গাঁও অঞ্চলত প্ৰায়ভাগ মানুহৰ ঘৰতে তাঁত-শাল আছে। তাঁত-শাল এখনত কাঠ, বাঁহ, বেত আদিৰে সজা বহুতো সৰু-ডাঙৰ সঁজুলি বা বস্তু থাকে। অসমৰ শিপিনীয়ে তাঁত-শালত বিভিন্ন ধৰণৰ কাপোৰ বয়।









### কাপোৰ বোৱা আৰু তাঁতশালৰ বিষয়েও কিছু কথা জানি লওঁ আহা—

গৰমৰ দিনত পিন্ধা আৰামদায়ক কপাহী কাপোৰবোৰ কপাহী সূতাৰে তৈয়াৰী। জাৰৰ দিনত ব্যৱহাৰ কৰা এৰী চাদৰবোৰ এৰী সূতাৰে তৈয়াৰী । তাঁত-শালত সাধাৰণতে কপাহী, এৰী আৰু মুগা কাপোৰ বোৱা হয়। অসমৰ পাট, মুগা আৰু এৰী কাপোৰবোৰে দেশে-বিদেশে আদৰ পাইছে।

ব্যৱসায়ৰ বাবে সৰহীয়াকৈ কাপোৰ বৈ উলিয়াবলগীয়া হয়। তাৰ কাৰণে বেছি সংখ্যক তাঁত-শালৰ প্ৰয়োজন। একেলগে বহুতো তাঁত-শাল পাতি কাপোৰ বোৱাকে **বয়ন কেন্দ্ৰ** বোলে।

| **অসমৰ শুৱালকুছি আৰু ঢকুৱাখনা পাট, মুগা কাপোৰৰ বাবে বিখ্যাত।** |
|---|

➢ তোমালোকৰ অঞ্চলত বাঁহ-বেত আৰু বয়ন কেন্দ্ৰৰ দৰে কোনো কেন্দ্ৰ আছে নেকি ?

কেন্দ্ৰটোৰ নাম লিখা .....................................................................................

কেন্দ্ৰটোত কি কি কাপোৰ তৈয়াৰ কৰা হয় লিখা ...................................................

( এইক্ষেত্ৰত শিক্ষকে সহায় কৰি দিব)



## অনুশীলনী

১) উত্তৰ লিখা —

(ক) বাঁহেৰে সজা দুটা বাদ্যযন্ত্ৰৰ নাম


(খ) ঘৰত সজাবলৈ ব্যৱহাৰ কৰা চাৰি বিধ বাঁহ-বেতৰ বস্তুৰ নাম

(গ) কাপোৰ ব'বলৈ ব্যৱহাৰ কৰা দুবিধ সূতাৰ নাম

(ঘ) কপাহী সূতাৰে তৈয়াৰ কৰা দুই ধৰণৰ সাজ-পোছাকৰ নাম

২) তলত দিয়া ঠাইবোৰ কি উৎপাদনৰ বাবে বিখ্যাত লিখা—

শুৱালকুছি, কাছাৰ, নলবাৰী, ঢকুৱাখনা



৩) তলত দিয়া বস্তুবোৰৰ একো একোটা ব্যৱহাৰ লিখা —

বিচনী, মূঢ়া, চালনী, জাপি

৪) খালী ঠাই পূৰ কৰা —

(ক) অসমত ____________ প্ৰচুৰ পৰিমাণে উৎপন্ন হয়।

(খ) ____________ জিলা পাটী আৰু বেতৰ বস্তু উৎপাদনৰ বাবে বিখ্যাত।

(গ) ঢকুৱাখনা ____________ কাপোৰৰ বাবে বিখ্যাত।

(ঘ) আমাৰ গাঁও অঞ্চলত প্ৰায়ভাগ মানুহৰ ঘৰতে ____________ আছে।

(ঙ) অসমৰ পাট-মুগা আৰু এৰী কাপোৰবোৰে দেশে-বিদেশে ____________ পাইছে।

(চ) কাপোৰ উৎপাদন কৰা কেন্দ্ৰটোক ____________ কেন্দ্ৰ বোলে।

(ছ) বাঁহ-বেতেৰে সজা বস্তুবোৰ ____________ কৰি আৰ্থিকভাৱেও লাভৱান হ'ব পাৰি।

৫) 'ক' অংশৰ লগত 'খ' অংশ মিলাই লিখা—



| 'ক' | 'খ' |
|---|---|
| গগনা | এবিধ মাছ ধৰা সঁজুলি |
| জাকৈ | এবিধ বাদ্যযন্ত্ৰ |
| তাঁত-শাল | এবিধ ঘৰ সজোৱা বস্তু |
| ফুলদানি | এবিধ কাপোৰ বোৱা সঁজুলি |

